জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ১৪৬/২০২২

# মেঘালয়ৰ মাজেৰে বৰাক উপত্যকালৈ পথ যোগাযোগ সূচল কৰি ৰখাৰ বাবে মেঘালয়ৰ মুখ্যমন্ত্ৰীৰ সৈতে মুখ্যমন্ত্ৰীৰ ভিডিঅ’ কনফাৰেন্স

## সকলো ধৰণৰ সহযোগিতা আগবঢ়োৱাৰ আশ্বাস প্ৰদান মেঘালয়ৰ মুখ্যমন্ত্ৰীৰ

## বান সাহায্য আৰু উদ্ধাৰ অভিযান অধিক তীব্ৰতৰ কৰি তুলিবলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

## ভূমিস্খলনত অৱৰুদ্ধ হৈ থকা পথসমূহ শীঘ্ৰে মুকলি কৰাৰ দিশত তৎকালীনভাৱে পদক্ষেপ গ্ৰহণ কৰিবলৈ লোক নিৰ্মাণ বিভাগৰ শীৰ্ষ বিষয়াক মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ১৮ মে’ ঃ** ৰাজ্যখনৰ সাম্প্ৰতিক বানপানীৰ পৰিপ্ৰেক্ষিতত বৰাক উপত্যকালৈ পথ যোগাযোগ সূচল কৰি ৰখা আৰু বানত ক্ষতিগ্ৰস্ত লোকসকললৈ সাহায্য প্ৰেৰণৰ দিশত যাতে কোনো অসুবিধাৰ সন্মুখীন হ’বলগীয়া নহয় সেই সন্দৰ্ভত আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তেওঁৰ সভাকক্ষৰ পৰা মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাৰ সৈতে ভিডিঅ’ কনফাৰেন্সযোগে আলোচনাত মিলিত হয়। মেঘালয়ৰ মাজেৰে যোৱা ৰাষ্ট্ৰীয় ঘাইপথেৰে বৰাক উপত্যকাৰ তিনিখন জিলালৈ খাদ্য আৰু অত্যাৱশ্যকীয় সা-সামগ্ৰী কঢ়িয়াই নিয়াৰ দিশত মুখ্যমন্ত্ৰীয়ে মেঘালয়ৰ মুখ্যমন্ত্ৰীৰ সহযোগিতা বিচাৰে। মেঘালয়ৰ মুখ্যমন্ত্ৰী গৰাকীয়ে এই ক্ষেত্ৰত সকলো ধৰণৰ সহযোগিতা আগবঢ়োৱাৰ আশ্বাস প্ৰদান কৰে। এই ভিডিঅ’ কনফাৰেন্সত জলসম্পদ মন্ত্ৰী পীযুষ হাজৰীকাৰ উপৰি অসম আৰু মেঘালয়ৰ মুখ্য সচিবকে ধৰি উচ্চপদস্থ প্ৰশাসনিক বিষয়া আৰু মেঘালয়ৰ উপায়ুক্তসকল উপস্থিত থাকে।

আনহাতে, আজি এই ভিডিঅ’ কনফাৰেন্সৰ পিছতে ৰাজ্যৰ সাম্প্ৰতিক বান পৰিস্থিতি, উদ্ধাৰ আৰু সাহায্য অভিযান সম্পৰ্কত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পৌৰোহিত্যত জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত এক গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকত বান পৰিস্থিতি সম্পৰ্কত সবিশেষ আলোচনা কৰাৰ লগতে উদ্ধাৰ আৰু সাহায্য অভিযান অধিক ক্ষিপ্ৰ কৰি

তুলিবলৈ মুখ্যমন্ত্ৰীয়ে বিষয়াসকলক নিৰ্দেশ দিয়ে। আনহাতে মুখ্যমন্ত্ৰীয়ে কাছাৰ জিলাৰ উপায়ুক্তগৰাকীক বানৰ পৰিপ্ৰেক্ষিতত প্ৰয়োজনীয় খাদ্য আৰু অত্যাৱশ্যকীয় সা-সামগ্ৰী মজুত কৰি ৰাখিবলৈ নিৰ্দেশ দিয়ে। তদুপৰি, মুখ্যমন্ত্ৰীয়ে কাছাৰ, কৰিমগঞ্জ আৰু হাইলাকান্দিত নিয়ন্ত্ৰণ কক্ষ মুকলি কৰিবলৈ নিৰ্দেশ দিয়াৰ লগতে ২৪ ঘণ্টাই এনে নিয়ন্ত্ৰণ কক্ষৰ জৰিয়তে বানক্ষতিগ্ৰস্ত লোকক সেৱা আগবঢ়াবলৈও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে যোৰহাট জিলাৰ উপায়ুক্তগৰাকীক কাইলৈৰ ভিতৰত বৰাক উপত্যকালৈ খাদ্য আৰু অত্যাৱশ্যকীয় সা-সামগ্ৰী প্ৰেৰণৰ ব্যৱস্থা কৰিবলৈও নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লোক নিৰ্মাণ (পথ) বিভাগৰ আয়ুক্ত গৰাকীক ভূমিস্খলন আৰু বানপানীৰ ফলত অৱৰুদ্ধ হোৱা পথসমূহ শীঘ্ৰে মুকলি কৰাৰ বাবে তৎকালীনভাৱে পদক্ষেপ ল'বলৈ নিৰ্দেশ দিয়ে।

আজিৰ এই বৈঠকত ৰাজ্য প্ৰশাসনৰ শীৰ্ষ বিষয়াসকলে বানত ক্ষতিগ্ৰস্ত লোকসকলৰ ক্ষেত্ৰত গ্ৰহণ কৰা ব্যৱস্থাৰাজিৰ সম্পৰ্কত মুখ্যমন্ত্ৰীক অৱগত কৰে। আনহাতে, সেনাবাহিনী আৰু বায়ুসেনা বাহিনীৰ বিষয়াসকলে বানপীড়িত লোকৰ উদ্ধাৰ আৰু সাহায্য অভিযানৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়েও মুখ্যমন্ত্ৰীক অৱগত কৰে।

আজিৰ এই বৈঠকত জলসম্পদ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰীকা, সেনা বাহিনী, বায়ু সেনা বাহিনী, এন ডি আৰ এফ, এছ ডি আৰ এফ আৰু ৰাজ্য প্ৰশাসনৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**হেঃশঃ**

**১৮/০৫/২০২২**